# Telephone Conversation between Prime Minister Shri Narendra Modi and H.E. Boris Johnson, Prime Minister of the United Kingdom

## March 12, 2020

---

# ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছন আৰু প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ টেলিফোনিক বাৰ্তালাপ

## মাৰ্চ 12, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনৰ পৰা টেলিফোন কল লাভ কৰে।

দুয়োগৰাকী নেতাই এই নতুন দশকত ভাৰত-ব্ৰিটেইনৰ কূটনৈতিক সম্পৰ্কক এক নতুন ৰূপ দিয়াৰ বাবে ইচ্ছা প্ৰকাশ কৰে। এই উদ্দেশ্যৰ বাবে তেওঁলোকে এক ব্যাপক ৰোডমেপ প্ৰস্তুতিৰ কথাও উল্লেখ কৰে।

দুয়োগৰাকী নেতাই জলবায়ু পৰিৱৰ্তন,বিশেষকৈ দুৰ্যোগ প্ৰশমন আন্তঃগাঁথনিৰ কাৰণে সংযোগ সন্মিলন(চি ডি আৰ আই)ৰ ক্ষেত্ৰত ভাৰত আৰু ব্ৰিটেইনৰ সহযোগিতাত সন্তোষ প্ৰকাশ কৰে। এই বছৰৰ শেষলৈ চি অ' পি-26 লৈ প্ৰধানমন্ত্ৰী মোদীক নিমন্ত্ৰণ জনোৱাৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী জনছনক ধন্যবাদ জ্ঞাপন কৰে।

দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে ক'ভিড-19 মহামাৰী সন্দৰ্ভত নিজৰ চিন্তাধাৰা বিনিময় কৰে। ব্ৰিটেইনৰ স্বাস্থ্য মন্ত্ৰী নাদিন ড'ৰিছ ক'ৰনা ভাইৰাছত আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে উদ্বেগ প্ৰকাশ কৰাৰ লগতে তেওঁৰ দ্ৰুত আৰোগ্য কামনা কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে ব্ৰিটেইন প্ৰধানমন্ত্ৰী গৰাকীক পৰস্পৰৰ সুবিধাজনক তাৰিখ এটাত ভাৰতলৈ নিমন্ত্ৰণ জনোৱা সম্পৰ্কে দোহাৰে।

**নতুন দিল্লী**
**মাৰ্চ 12, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.